# কবিতা

## সুধাকণ্ঠৰ এখন মহীৰুহ কেনভাচ

ৰিমঝিম কলিতা
স্নাতক ২য় বৰ্ষ

সুধাকণ্ঠৰ মহীৰুহ কেনভাচ
এখন শুকুলা কেনভাচ আৰু এটা সত্তা
এটুকুৰা আলসুৱা মেঘৰ দৰে ভাহি অহা গীতবোৰ
শুকুলা ডাৱৰৰ শব্দৰে গঠা গীতবোৰ
এটি অক্ষয় বত্তি,
হেৰাই গলা তুমি
পাহাৰ, ভৈয়ামৰ সম্প্ৰীতিৰ এনজাৰী বন্ধা
এটি অমৰ অক্ষয় বত্তি ও সত্তা তুমি
তুমি সংগীতৰ সূৰ্য্য,
এটা বৰ্ণিল সত্তা, এটা বিশ্ব বৰেণ্য অগ্নিযুগৰ ফিৰিঙতি
তুমি এটা বৰ্ণাধ্য অধ্যায়
কিন্তু যাক বৰ্ণাবলৈ শব্দৰ অভাৱ।
অস্ত আকাশৰ হেঙুলী ৰহণত সনা তোমাৰ
আবেগবোৰ কৃষ্টি সাহিত্যৰ হিয়াৰ আমঠু,
তুমি মৃতুঞ্জয়, কালজয়ী
তুমি এটি বৰ্ণাধ্য অধ্যায়।
কোনো দিনেই উভতি নাহিবা নেকি তুমি?
কোনো দিনেই উভতি নহাৰ বাতৰি নিদিয়াকৈ গুচি গলা তুমি
শৰবিদ্ধ হৈ পৰিল সময়
শেৱালি, শৱালি, বালিমাহীৰ নিথৰ খোজে যেন দেখুৱাই
দিলে অনাহত বিজুলীৰ ক'লা আকাশখন
উৰিব নোৱাৰে সিহঁতে।
অসমী আইৰ বুকু সুদা হ'ল।
কালহীন নীৰৱধি নদীৰ গতি স্তব্ধ হৈ পৰিল
স্বপ্নহীনতাৰ এই কঠিন সময়ত
এই মহীৰুহ কেনভাছত সুৰৰ মৌচুমীৰ উচুপনি
তোমাৰ পুবেৰুণ সংগীতৰ সূৰ্য্যৰ
গভীৰ আস্থাৰ বিজুলীত
হৃদয়ৰ বিষাদ জোনাক নীলা হৈ পৰিল
কিন্তু সুধাকণ্ঠ,
তুমি বিশ্ববিজয়ী, অমৰজয়ী, কালজয়ী
তোমাৰ অমৰ সৃষ্টিৰ বাটে
আমাক গভীৰ আস্থা প্ৰদান কৰিব
অসমী আইৰ আকুলতাক সান্ত্বনা দিবলৈ
তোমাৰ বিদায়বেলাত এধাৰি আৰু অশ্ৰু অঞ্জলি
সুধাকণ্ঠ, তুমি গুচি গ'লা
সহস্ৰজনে চকুপানী মচি।

# মই আৰু উভতি নগ'লো

জ্যোতিৰূপা দৈমাৰী
স্নাতক তৃতীয় বৰ্ষ

মই আহিলো, অ' মই আহিলো
মই আৰু উভতি নগ'লো
শব্দ এটি শুনিছিলো, কিন্তু অনুকৰণেই কৰিব নোৱাৰিলো,
জনাই দেখোন শব্দবোৰ মাথো
মাখিছাল যোৱা ছাঁটিৰ ভেলেঙনিহে।
হুমুনিয়াহ ৰ'দালিৰ মৰীচিকা পোহৰে
হৃদয়ৰ উকা দাপোনত আঁকি দি গৈছে
হেপাঁহৰ সাতৰঙী ছাপ...
এতিয়া জানো বিচাৰি পাম
তামৰঙীন সপোনবোৰৰ মাজত
মোৰ সেউজীয়া অম্লানৰ অনুভূতি?
আজিও আপ্লুত সোঁতে কঁপি কঁপি
সাৰটি লৈছে আকাঙ্খাৰ মাধুৰীমাক,
ভাগৰে কৈ গৈছে মৌনতাক,
কিন্তু  এতিয়াও সাঁতুৰিব পৰা নাই মই
আঁকুৰতাত পেলাই থোৱা জোলাঙাখনলৈ।
নিসংগতাত চুই ছুমি বতাহ জাঁকৰ মাজে মাজে
মোৰ কাণত এতিয়াও বাজি উঠে
মই উভতিব পৰা হ'লে, সোণালী পূৰ্বজৰ সাকোঁৰে
কিন্তু মই আহিলো, অ' মই আহিলো...
দীৰ্ঘায়ুৰ শেষ বিন্দুত !
মই আহিলো অ'
......................
মই আৰু উভতি নগ'লো।

# কিছু শব্দ, কিছু গান হিংসাৰ বিৰুদ্ধে

অনুৰূপা দাস
স্নাতক তৃতীয় বৰ্ষ

এমুঠি শব্দ সিঁচি দিব খোজো
তোমাৰ চোতালত
যৰ পৰা উজ্জীৱিত হব
একাজলি সুৰ
স্বৰলিপি, স্থায়ী, অন্তৰা...
গাওঁক প্ৰতিজন অসমীয়াই
এই গীত- অহিংসা , সততা
আৰু নিষ্ঠাৰ।
ধুৱাই নিয়ক তেজৰ চেকুৰা বোৱাই
কাৰোবাৰ মাতৃৰ অথবা
কাৰোবাৰ পত্নীৰ
বুকু সুদা কৰা মানসিকতা
উগ্ৰতাৰ নিচান আতৰাই এবাৰ ভাবা
তাহানিতে বুকুৰ তেজ দি
সোণৰ অসম গঢ়ি যোৱা সকলৰ কথা
য'ত আজি চৌপাশে মাথো নিৰাপত্তাহীনতা
সেই মহান ত্যাগৰ এয়া জানো প্ৰতিদান
যি তোমালোকে দিছা ?
মহীয়ান কেনেকৈ হবা তোমালোক
হত্যা, লুণ্ঠন, বৰ্বৰতাৰ নিদৰ্শন দিয়া
সেয়া যে মাথো ধ্বংসৰ সূচনা
সেয়ে কৈছো আঁতৰি আহা
সেই পথৰ পৰা
আৰু পিন্ধি লোৱা
অহিংসাৰ এযোৰ সাজ
যাক ভেদিব নোৱাৰিব
কোনো নিকৃষ্ট মানসিকতাই
চিৰসুন্দৰ এমুঠি শব্দৰে
সিঁচো আহা বুকুত গান্ধাৰ নিষাদে
সমুধুৰ কৰা শান্তিৰ একাজলি সুৰ
যাৰ মাজেৰে ক'ম 'আমি অসমীয়া
আমাৰ অসমৰ'

# মোৰ হৃদয়ত তোমাৰ পদূলি

মিতালী ৰাভা
উঃ মাঃ দ্বিতীয় বৰ্ষ

অহাৰ বাটত তোমাক নেদেখিলোঁ,
হয়তো তুমি কাৰোবাৰ
মৰমত আৱদ্ধ।
তুমি আহিবা বুলি
কিমান আশাৰে
আছো মই অপেক্ষাত
পাৰ হৈ গ'ল।
ক'ত ঘাত-প্ৰতিঘাত
তুমি নাহিবা জানো।
মই জানো তোমাক
তুমি খোজ পেলোৱা
মোৰ হৃদয়ৰ পদূলিত,
ই-মা-ন অভিমানি
আবেগ ছটিয়াই।
আতৰি যোৱা কেনি
তথাপি তোমাৰ উপস্থিতি।
প্ৰতি পলে পলে
উশাহে নিশাহে
তোমাৰ মৰমবোৰ বুটুলি আনে।
পুৱাৰ সমীকৰণে
আবেলিৰ গান
তুমি কৰিছা পৰিহাস
নতুবা কৰিছা পুতৌ মোলৈ,
নিলগৰ পৰা চাই চাই।
মেলি দিছো দুবাহু তোমাক
মৰমেৰে মোক আকোৱালি ল'বলৈ
সুধিলোহেঁতেন তোমাক এবাৰ
যদিহে পালোহেঁতেন ল'গ
আছেনে মনত তোমাৰ মোলৈ
এক্ষন্তেক মৌনতাৰ অন্তৰ
তুমি হয়তো কবা, এৰা মনত পৰিছে।
ক'তজনে ক'ত খেল খেলিল
সাক্ষীহৈ ৰলা মাথো তুমি।

# ইপাৰৰ ঢৌ

*কুশল বড়ো*
*উঃমাঃ দ্বিতীয় বৰ্ষ*

মই আৰু তোমাৰ বাদেও এইখন পৃথিৱীত
অনেক কিবাকিবি আছে।
আকাশ, পানী, বায়ু
আৰু
তাৰেই সমান উদাৰ, গভীৰ আৰু ব্যপ্ত
যিবোৰ মই নহয়...
যিবোৰ তুমি নহয়...
যিবোৰ মোৰ নহয়...
যিবোৰ তোমাৰো নহয়...
অথচ পোহৰ দেখি অস্তমান হোৱাৰ দিন ধৰি
অপ্ৰাপ্তিৰ আশংকা
আৰু মৃত্যুভয়ৰ পৰা ৰক্ষা কৰি
আমি আমাক সেই অনেকৰ মাজত মিলাই দিছো
সেই সংখ্যাতীত অনেক ঢৌৰ মাজত উটি ভাহি ফুৰিছো
তাৰ মাজতো পাইছো আমি ৰমনীয় সুখ
অথবা স্খলনৰ গ্লানি
তুমি তুমি হৈ
মই মই হৈ
আমিবোৰ জীয়াই আছো মই মই হৈ
আকাশ, পানী আৰু বায়ুক ধাৰণ কৰি
অনন্ত কাল ধৰি
সেই সংখ্যাতীত অনেকৰ বুকুৰেদি
আমি আহি আছো
গৈ আছো
গৈ থাকিব
এডাল শিকলিৰ দৰে...

# শেষৰ পিছত

ভায়োলিনা চৌধুৰী
উঃমাঃ ২য় বৰ্ষ

তুমি আতৰি গলেই সকলো শেষ হৈ নাযায়
কিবা এটা ৰৈ যায় ...
যেনেদৰে ...
বানে উছন কৰাৰ পাছত খেতিয়কৰ ভোক
বৰষুণৰ পাছত দুবৰিত দুটোপাল নিয়ৰ...
শেষ হৈ যাব নোৱাৰে কেতিয়াও
দুগ্ধ এৰাৰ পাছতো মাতৃৰ স্নেহভৰা মমতা।

ক্ৰমশঃ হালধীয়া হৈ যোৱাৰ পাছতো
সৰি সৰি শেষ হৈ যোৱাৰ পাছতো
চৰাইৰ-ঠোঁটত ৰৈ যায় সেউজীয়া গান।

আচলতে শেষ মানেই শেষ নহয়...
শেষৰ পৰাই আৰম্ভণি নতুনৰ...

সুখী অথবা দুখী প্ৰত্যেকৰে চকুতে ৰৈ যায়
চকুলো দুটোপাল
মোৰ চুকতো
তোমাৰ চকুতো...

# প্ৰাচীৰ পত্ৰিকা

জাহ্নৱী দাস
স্নাতক প্ৰথম বৰ্ষ

ময়ে প্ৰাচীৰ ময়ে সাকোঁ
ময়ে ভাঙিম শিলৰ সাকোঁ
ময়ে বান্ধিম যুগৰ সাকোঁ।

ময়ে গঢ়িম যুগৰ নায়ক
নিঃশেষ হ'ব য'ত স্বাৰ্থপৰ দানৱ
শতাব্দীৰ দুৱাৰ দলিত
ৰাখিম ময়ে ৰণুৱা দলক।

মৰি মৰি মই থাকিম জীয়াই
প্ৰাচীনতম নিশ্বাস কঢ়িয়াই
ৰাখিব মোৰ অৱদান প্ৰাচীৰ পত্ৰিকাই।

থাকিম মই আবহমান হই
শত শত যুগক ধিয়াই
শত শত যুগৰ কবিতাই
প্ৰাচীৰ পত্ৰিকাক ৰাখিব জীয়াই।

# জীৱনৰ আবেলি

মাধৱ দাস
স্নাতক ২য় বৰ্ষ

জীৱন এক মৰুময় বালি
কেতিয়াবা হাঁহি কেতিয়াবা কান্দোন
হয়তো কেতিয়াবা নিজক পাহৰি যাওঁ
হয়তো কেতিয়াবা অকলে নিসংগতাক বাচি লওঁ
পাপ-পূণ্যৰ মাজতে এক জীৱনৰ চাঁকি
হয়তো এদিন ময়ো এই পৃথিৱীত নাই
তুমিও আছা ময়ো থাকিম
এই জীৱন তৃষ্ণাৰ মাজত।
প্ৰেম নহয় কেৱল ভালপোৱা
নহয় ভাল পোৱা আনক
জীয়াই থাকিম কেৱল তোমাৰ বাবে
জীৱনৰ এৰি অহা দিনবোৰত।

# কোন তুমি মনালিছা

জিৎ শংকৰ পাটোৱাৰী
স্নাতক ১ম বৰ্ষ

ভিন্সিৰ হাতৰ পৰশত প্ৰাণ পাই উঠা
কোন তুমি মনালিছা।
তোমাৰ ওঠৰ হাঁহি তোমাৰ দুচকুৰ চকুপানী
কি যে এক ছায়া-মায়া প্ৰহেলিকা।
ৰহস্যময়ী নাৰী তুমি,
তোমাৰ হাঁহিৰ অনুভূতিয়ে
সজীৱ কৰে হৃদয় পথাৰ
তোমাৰ চকুপানী নিগৰি পুৰ কৰে
দুখৰ পিয়লা;
নাকান্দিবা নাকান্দিবা তুমি
তুমিয়েই নে ৰহস্যময়ী মলালিছা।

# ব'হাগৰ এটি নিশা

শান্তনা ৰাভা
স্নাতক প্ৰথম বৰ্ষ

বহাগৰ নিৰ্জন নিশাটোত
চিঞৰি আছিল চৰাইজনীয়ে,
সুৰীয়া মাতেৰে কৰুণ বীনা খনিৰে
শান্তিত শুৱলৈ দিয়া নাছিল সিদিনা ৰাতিক।

ঘৰৰ এচুকত থকা
সেমেকা বাহটোত
নিশ্চুপে সোমাই আছিল সিদিনা তাই
তাইৰ লগৰীয়া চৰাইটো।
কিবা আছিল নামটো
কৰ পৰা বা আহিছিল উৰি।

কান্দোনৰ ৰু-ৰুৱনীয়ে ভাগি দিছিল নিৰ্জনতাক
চিপ্‌চিপিয়া বৰষুণজাকত তিতি
থক থকাই কপিছিল নিৰ্জনতা
ভয়াৰ্ত দৃষ্টিৰে ইফালে সিফালে চাই
কপি উঠিছিল সিহঁতৰ বুকু।

দোকমোকালিতে যাবগৈ সিহঁতহাল চিৰ দিনলৈ
কংক্ৰীতৰ নগৰ এৰি।
য'ত নাথাকিব অঘৰী মনৰ নিচলা দুখ,
ফুলে য'ত ওঠৰ কোনত ৰঙালী সুখ
সেই দেশলৈ যাবগৈ উৰি;
য'ত কুমলীয়া পাতৰ সেউজীয়া বিৰিখে
মাতে সিহঁতক হাত বাউলি।

# মোৰ প্ৰিয়া

যুগব্ৰতা চৌধুৰী
উঃমাঃ ২য় বৰ্ষ

মোৰ প্ৰিয়া
সিদিনা আহিলা তুমি
মোৰ হিয়াৰ লগৰী
আজি কিয় গ'লা আঁতৰি
আকাশে বতাহে উৰি ফুৰিছিলো
তোমাৰ প্ৰেমতে মই
মোৰ মৰম, ভালপোৱা দেখি
প্ৰকৃতিয়ে নাচিছিল।
নাচিছিল জোনবাই, তৰায়ে
নাজানো আজি তুমি
কিয় গ'লা আঁতৰি
মই ভবা নাছিলো
তুমি এনেদৰে এৰি যাবা
মোৰ প্ৰিয়া।

# শিক্ষা

হিমানী ৰাভা
স্নাতক তৃতীয় বৰ্ষ

জীৱনযোৰা প্ৰক্ৰিয়া শিক্ষা
যদিহে নাথাকে জীৱনত
কৰিব লাগিব তুমি ভিক্ষা।
তাকে জানি সকলোৱে
শিক্ষাত ব্ৰতী হোৱা,
নহ'লে যে জীৱনত বন্ধু
বহু কষ্ট পাবা।
সোণোৱালী ভৱিষ্যতক সকলোৱে
কৰা আৱাহন
অন্ধকাৰে আৱৰা ভৱিষ্যতক
দিয়া বিসৰ্জন।
শিক্ষাৰ প্ৰতি কেতিয়াও
নকৰিবা হেলা,
নহলে যে ভুগিব লাগিব কষ্ট
জীৱনৰ বিয়লি বেলা।
সময় থাকোতেই বন্ধুসকল
ভালদৰে শিক্ষা লবা,
তেতিয়াহে জীৱন হব
সুখ শান্তিৰে ভৰা। ☐

# অস্তিত্ব

মায়াৰাণী বিশ্বাস
স্নাতক ১ম বৰ্ষ

পাৰ হৈ গৈ আছে এদিন এদিনকৈ
আৰু কমি গৈ আছে জীৱন,
তুমি লাহে লাহে যোৱা সময়
মোক মনত ৰাখিবলৈ দিয়া স্মৰণীয় মুহূৰ্ত।
প্ৰতিটো দিনতেই মই লিখিব বিচাৰো
মোৰ জীৱনীৰ পাতত বহুৱাব চিহ্ন,
হেঁপাহ পলাবলৈ দিয়া মোক
আনন্দৰ কেইটামান মুহূৰ্ত।
তোমাৰ গতিত খোজ মিলাবলৈ দিয়া
আমিও পাই যাও জীৱনৰ আনন্দ
তুমি মোৰ বাবে যিদিনাই শেষ হোৱা
মোক আগতীয়াকৈ জনাই দিবা
হৃদয়ত আঁকি লোৱা
মৰমৰ ছবিখন আৰু প্ৰকৃতি সৌন্দৰ্য
প্ৰাণ ভৰি চোই যাবলৈ দিবা,
এয়াই হ'ব মোৰ বাবে বহুত।
হেৰুৱাব মন নাযায়
মই কব নোৱাৰকৈ লৈ যাব
মোৰ জীৱনৰ প্ৰতিটো ক্ষণ।
মই তেতিয়া কব নোৱাৰিম একোকে
আৰু বিলিন হৈ যাব মহাশূণ্যৰ মাজত
মোৰ জীৱনৰ অস্তিত্ব। ☐

# শৰৎ তুমি অনন্যা

আখতাৰা বেগম
স্নাতক ১ম বৰ্ষ।

তুমি আহিবা বুলিয়েই মই ৰাখিছো,
মোৰ হৃদয় দুৱাৰ খুলি।
মই বিচাৰো তোমাৰ অশ্ৰুসিক্ত দু-নয়নেৰে
জীপাল হ'বলৈ-
তোমাৰ পৰশত
কম্পনা দাপোনত
মোৰ মিঠা সপোনে
ধেমালি কৰিব গোপনে।
সেউজীয়া দুবৰি দলিচাত
নিয়ৰ মুকুতাই জীপাল কৰিব
মৰহি যোৱা মোৰ
অতীতৰ মধুৰ স্মৃতি।
তোমাৰ বাবে মই
সদায় আস্থিৰ

তুমি আতৰি নাযাবা
শুকুলা মেঘেৰে পাতিবা তুমি
নিবিড় অমল সখী।

# পলাশ নহবা তুমি

সঞ্জিৎ মজুমদাৰ

পলাশ নহবা তুমি
মাথো ফাগুণীক সজাবলৈ

ফুলিবা গোলাপ হৈ
তৃষ্ণাতুৰ হিয়া জুৰাবলে
পলাশ নহবা তুমি।

পলাশ মদাৰ কামে-কাজে নালাগে
লাগে মাথো মাদাৰৰ ফুল
ৰং সানিবলৈ -
পলাশ নহবা তুমি।

পলাশ ফুল কোনেও
নুগুজে খোপাত
কোনোৱে নলয় আদৰেৰে
নিজকে অপৰূপা বুলি
জানিবা কুলিৰ দৰে, কাউৰীৰ
কণ্ঠৰা মাতে নাপায় স্থান স্থিতি
পলাশ নহবা তুমি।

# এপলক ৰ'বাদে

মানৱ ৰিচাং

নৈ বয়
দীঘলীয়া জীৱনৰ বাট
উৰুৱাই আনে মলয়াই
সাতৰঙী সপোন জীৱনৰ
ওকোৰা-পকোৰা বাটেৰে
তুমি বহুদূৰ গ'লা
নোৱাৰো যাব
তোমাক নেপাওঁ বিচাৰি
মৰম বিচাৰি
বুকুত কপনি
অহা জীৱনত তোমাৰ হ'ম।

# অভিমানী সুন্দৰ নিজৰা

ভূমিধৰ ৰাভা
স্নাতক দ্বিতীয় বৰ্ষ

কিদৰে দেখুৱাইছা তোমাৰ
গতিৰ চঞ্চলতা
নৰোৱা কাৰো বাবে, নছোৱা কাকো,
বৈ আছা মাথোন তোমাৰ গতিৰে
নিজ ইচ্ছাৰে, বিৰামহীন ভাবে...
তথাপি তোমাক পাহাৰৰ
নিৰ্জীৱ শিলবোৰে এখন্তেক
জিৰাবলৈ আগছি ধৰে
তথাপিতো তুমি তোমাৰ
বিৰামহীন গতিৰে বৈ আছা...
মাথো বৈ আছা ...
আগছি ধৰিলে জানো
তোমাক ৰাখিব পাৰিম ?
তোমাৰ আৰু শিলবোৰৰ টনা-আজোৰাত
সৃষ্টি হৈছে সুৱদি সংগীত
আমি মাথো শুনো
তোমাৰ গীতৰ সুৰ
ঐ বান্ধৈ, তুমি একেটি
গীতকে কিয় নিতৌ গোৱা ?
তুমি বাৰু ইমান অভিমান কিয় কৰা
তথাপিতো তুমি মোৰ মনত
এখনি অভিমানী সুন্দৰ নিজৰা।

## ২০১০-১১ইং শিক্ষাবৰ্ষৰ ছাত্ৰ একতা সভাৰ সম্পাদকীয় প্ৰতিবেদন সমূহ

# সমাজসেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিৰ প্ৰচেষ্টাত আৰ্থ-সামাজিকভাৱে পিছপৰা এই অঞ্চলত জ্ঞানৰ জ্যোতি বিলাবলৈ এই বিদ্যা মন্দিৰটোৰ জন্ম হৈছিল, সেইসকল জ্ঞাত-অজ্ঞাত ব্যক্তিলৈ, লগতে দেশ মাতৃৰ ৰক্ষাৰ হকে জীৱন উৰ্চ্গা কৰা বীৰ শ্বহীদসকলোৰ পৱিত্ৰ আত্মাৰ চিৰ শান্তি কামনা কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলোঁ।

১৯৮২ চনৰ ১৪ এপ্ৰিলত স্থাপিত এই অঞ্চলৰ উল্লেখযোগ্য একমাত্ৰ উচ্চশিক্ষাৰ অনুষ্ঠান "বিকালী মহাবিদ্যালয়"ৰ সামগ্ৰীক উন্নতিত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ অৱদান অসীম।

সমাজ সেৱা শিক্ষা ব্যৱস্থাৰ এটা অবিচ্ছেদ্য অংগ। ছাত্ৰ-ছাত্ৰীৰ মাজত সেৱামূলক কাম-কাজে ব্যক্তিত্ব গঠনৰ লগতে কৰ্মী হোৱাতো উল্লেখযোগ্য ভূমিকা পালন কৰে। আমাৰ মহাবিদ্যালয়ত চলি থকা বিভিন্ন সমাজসেৱা মূলক কাম যেনে - চাফাই কাম, ৰাষ্ট্ৰীয় সেৱা আঁচনি , বৃক্ষৰোপন আদিৰ লগত জড়িত হৈ থকা বাবে ছাত্ৰ-ছাত্ৰী সকলে মহাবিদ্যালয়ত অমূল্য সেৱা দান কৰাৰ উপৰিও নিজৰ ব্যক্তিত্ব বিকাশ সাধন কৰিবলৈ সক্ষম হৈছে বুলি মই বিশ্বাস কৰো।

**কাম-কাজৰ খতিয়ান ঃ** এইখিনিতে মোৰ কাৰ্যকালত সমাজ সেৱা বিভাগৰ পৰা হোৱা কাম-কাজৰ খতিয়া আপোনালোকৰ জ্ঞাতৰ্থে দাঙি ধৰিব বিচাৰিছোঁ।

১। **ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ লগত জড়িত কাৰ্যৱালী ঃ-** মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি ৩-১০-২০১১ ইং তাৰিখ পৰা ৫-০১-২০১১ ইং তাৰিখলৈ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সহযোগত সম্পূৰ্ণ কলেজ কেম্পাচ চাফাই কৰা হয় আৰু লগতে বৃক্ষ ৰোপন কৰা হয়। এই আঁচনিত NSS দলৰ প্ৰগ্ৰাম অফিচাৰ, তেওঁৰ লগত NSS গ্ৰুপত অংশগ্ৰহণ কৰা স্নাতক প্ৰথম, দ্বিতীয় আৰু তৃতীয় বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলোৰ সহযোগিতা বিশেষভাৱে উল্লেখযোগ্য।

**মহাবিদ্যালয় সপ্তাহ ঃ-** ইয়াৰ পাছতে মোৰ কাৰ্যকালৰ দ্বিতীয় গুৰুত্বপূৰ্ণ কাৰ্য আছিল ৭ জানুৱাৰী, ২০১১ ৰ পৰা ১১ জানুৱাৰী,২০১১ লৈ চলা মহাবিদ্যালয় সপ্তাহ। এই মহাবিদ্যালয় সপ্তাহত মোৰ কিছুমান বিশেষ দিশত কাৰ্য সম্পাদনা কৰিব লগা হৈছিল। সেইবোৰ হ'ল -

(ক) এল গেট নিৰ্মাণ (খ) শ্বহীদ বেদী (গ) মঞ্চ নিৰ্মাণ তথা সা-সৰঞ্জম (ঘ) উপযুক্ত সমাজ কৰ্মীক পুৰস্কাৰ বিতৰণ।

এই সকলোবোৰ কাম-কাজ উপযুক্ত সময়তে সম্পাদন কৰা হয়। এই কাম-কাজসমূহ সম্পাদন কৰাত ছাত্ৰ একতা সভাৰ সমূহ সদস্যৰ লগতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলেও মোক বিশেষভাৱে সহায় কৰে।

**সৰস্বতী পূজা ঃ-** অইন অইন বছৰৰ দৰে এইবেলিও সমাজ সেৱক বিভাগৰ পৰা সৰস্বতী পূজা পতা হয়। এই বছৰৰ যোৱা ০৮-০২-২০১১ ইং তাৰিখে ছাত্ৰ একতা সভাৰ লগত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱীৰ সহযোগত উলহ-মালহৰে সৰস্বতী পূজা আয়োজন কৰা হয়। মোৰ কাৰ্যকালৰ ভিতৰত আটাইতকৈ গুৰুত্বপূৰ্ণ দায়িত্বটোৱে আছিল সৰস্বতী পূজা সুকলমে সম্পাদন কৰাটো। মোৰ উপদেষ্টা মাননীয় শ্ৰীযুত ৰমেশ চন্দ্ৰ দাস ছাৰ আৰু তত্ত্বাবধায়ক শ্ৰীযুত ধনঞ্জয় ৰাভা ছাৰে সকলো ক্ষেত্ৰতে মোক দিহা-পৰামৰ্শ দি বিশেষভাৱে সহায় কৰে।

**নৱাগত আদৰণি সভা ঃ-** অইন অইন বছৰৰ দৰে এই বছৰো যোৱা ১৫-০৬-২০১১ ইং তাৰিখে নৱাগত ছাত্ৰ-ছাত্ৰীক আদৰাৰ উদ্দেশ্যে নৱাগত আদৰণি সভা অনুষ্ঠিত কৰা হয়। ইয়াত মোৰ বিশেষ দায়িত্বভাৰ সম্পাদন কৰিবলগীয়া হয় - এল গেট নিৰ্মাণ, শ্বহীদ বেদী আৰু মঞ্চ নিৰ্মাণ আৰু এই সকলোবোৰ কাম নিৰ্দিষ্ট সময়ৰ ভিতৰত সম্পাদন কৰা হয়।

ইয়াৰ উপৰিও অন্যান্য কাম-কাজৰ ভিতৰত মহাবিদ্যালয়ৰ কেম্পাছ চাফ-চিকুন কৰি ৰখাৰ বাবে চাফাইৰ কাম কৰা, বৃক্ষৰোপন, সভা-সমিতি, চেমিনাৰ, বিভিন্ন দিৱস আৰু উৎসৱ পালন কৰা আদি কাৰ্যসমূহ সুচাৰুৰূপে পৰিচালনা কৰিবলৈ মই মোৰ যথাসাধ্য চেষ্টা কৰি আহিছোঁ আৰু এই কাৰ্যসমূহ সুচাৰুৰূপে সম্পাদন কৰাত ছাত্ৰ-ছাত্ৰীৰ সকলৰ লগতে ছাৰ-বাইদেউ সকলেও মোক বিশেষ ভাবে সহায় কৰি আহিছে। তাৰ বাবে তেওঁলোকক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

**অভাৱ অভিযোগ ঃ** মোৰ কাৰ্যকালৰ সময়ত কেইটিমান বিশেষ দিশত অভাৱ অনুভৱ কৰিছিলোঁ। সেইবোৰ হ'ল - ছাত্ৰ-ছাত্ৰীসকলৰ জিৰণী সময়ৰ সৎ ব্যৱহাৰৰ বাবে উপযুক্ত ঠাইৰ অভাৱ আৰু প্ৰেস্বাৱগাৰ আৰু শৌচাগাৰৰ সন্মুখত দমকলৰ অভাৱ। ইয়াৰ উপৰিও নিৰ্দ্ধাৰিত সময়ত পদক্ষেপ লোৱাৰ পিছতো শ্বহীদ বেদীৰ কাম আৰম্ভ নোহোৱাত মই বৰ দুখঃ অনুভৱ কৰিছোঁ আৰু লগতে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক অনুৰোধ জনাইছো যাতে ওপৰোক্ত অভাৱ অভিযোগসমূহ সোনকালে সমাধান কৰে ।

অৱশেষত মোৰ কাৰ্যকালত মোক বিভিন্ন কাম-কামজত সহায় কৰা তত্ত্বধায়ক মাননীয় শ্ৰীযুত ধনঞ্জয় ৰাভা ছাৰ আৰু উপদেষ্টা মাননীয় শ্ৰীযুত ৰমেশ চন্দ্ৰ দাস ছাৰক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। লগতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন কাম-কাজত সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে তেওঁলোকলৈয়ো অশেষ ধন্যবাদ জ্ঞাপন কৰিলোঁ।


সদৌ শেষত বিভিন্ন দিশত অজানিতে হৈ যোৱা মোৰ অনিচ্ছাকৃত দোষৰ বাবে ক্ষমা বিচাৰি লগতে বিকালী মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন ইমানতে সামৰিছোঁ।

জয়তু বিকালী মহাবিদ্যালয়

জয়তু বিকালী মহাবিদ্যালয় ছাত্ৰ একতা সভা

**তৌছিফ আহমেদ**
সম্পাদক, সমাজ সেৱা বিভাগ
বিকালী মহাবিদ্যালয় ছাত্ৰ একতা সভা।
২০১০-১১ ইং শিক্ষা বৰ্ষ

# গুৰু ক্ৰীড়া সম্পাদকৰ প্ৰতিবেদন



যোৱা ২০১০-১১ ইং শিক্ষা বৰ্ষৰ ছাত্ৰ একতা সভাত মই গুৰু ক্ৰীড়া সম্পাদকৰ পদত কাৰ্যভাৰ গ্ৰহণ কৰো। মোৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত প্ৰথম কাম হিচাপে মহাবিদ্যালয় সপ্তাহত খেল-ধেমালি সমূহ সুচাৰুৰূপে পালন কৰিছিলোঁ। ল'ৰা-ছোৱালীবোৰে খুউব উৎসাহেৰে খেল-ধেমালিসমূহত অংশ গ্ৰহণ কৰিছিল আৰু পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছিল। মোৰ কাৰ্যকালত নতুন খেল হিচাপে "Slow Cycle Race" অন্তৰ্ভুক্ত কৰিছিলোঁ। গুৰু খেলসমূহ আছিল - ক্ৰিকেট, ফুটবল, মাৰাথান দৌৰ, লং জাম্প, হাই জাম্প, কাবাডী, জেভ্‌লিন থ্ৰো ইত্যাদি। আন্তঃ মহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাত দুৰ্ভাগ্য বশতঃ আমাৰ মহাবিদ্যালয়ে অংশ কৰিব নোৱাৰিলে। যোৱা বেলি বিকালী ক্ৰীড়া সন্থাৰ উদ্যোগত অনুষ্ঠিত হোৱা ফুটবল প্ৰতিযোগিতাত বিকালী মহাবিদ্যালয়ে উন্নত খেল প্ৰদৰ্শন কৰি ৰানাৰ্চআপ দখল কৰিবলৈ সক্ষম হৈছিল।

গুৰু ক্ৰীড়া সম্পাদক হিচাপে মই বিভিন্ন অসুবিধাৰ সন্মুখীন হৈছিলো। তাৰ ভিতৰত হ'ল - খেল পথাৰখন খেলাৰ বাবে সুবিধাজনক নহয়। খেলৰ বাবে ফুটবল, ক্ৰিকেট বেট আদিৰ অভাৱ হৈছে। আগন্তুক ক্ৰীড়া সম্পাদকলৈ মোৰ বিনম্ৰ অনুৰোধ থাকিল যাতে তেওঁ উক্ত অসুবিধা পূৰণ কৰিবলৈ চেষ্টা চলায়।

**শ্ৰীদিবাকৰ পাটগিৰী**
গুৰু ক্ৰীড়া সম্পাদক
বিকালী মহাবিদ্যালয়, ধূপধৰা
২০১০-১১ ইং শিক্ষা বৰ্ষ

# লঘু ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিৰ অশেষ কষ্ট আৰু ত্যাগৰ বিনিময়ত আমাৰ এই বিকালী মহাবিদ্যালয়ৰ নিচিনা মহান প্ৰতিষ্ঠান এখনৰ জন্ম হ'ল সেইসকল মহান ব্যক্তিৰ পবিত্ৰ স্মৃতিত গভীৰ শ্ৰদ্ধা আৰু আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছতেই মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয় আৰু মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন কাৰ্যসূচীসমূহ সুচাৰুৰূপে চলোৱাটো আচলতো এটা বৰ ডাঙৰ দায়িত্ব আছিল, কিন্তু ছাত্ৰ একতা সভাৰ মোৰ সহযোগীসকল, মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল আৰু লগতে মোৰ তত্বাবধায়ক তথা উপদেষ্টাৰ সহযোগত মই এই গুৰু দয়িত্ব যেনেদৰে পলান কৰিব লাগিছিল তেনেদৰে নোৱাৰিলেও নিজৰ চেষ্টাত ক্ৰুটি কৰা নাই।

বিভিন্ন কাম-কাজৰ খতিয়ান ঃ-

১। মহাবিদ্যালয় সপ্তাহৰ কাৰ্যাৱলী ঃ- যোৱা ইংৰাজী ৭ জানুৱাৰী পৰা ১১ জানুৱাৰী ,২০১১ লৈ হৈ যোৱ মহাবিদ্যালয়ৰ লঘু ক্ৰীড়া বিভাগৰ সম্পাদক হিচাবে মোৰ প্ৰধান দায়িত্ববোৰ আছিল - বেডমিণ্টত আৰু ভলীবল খেল সুকলমে পৰিচালনা কৰা। প্ৰথম অৱস্থাত কিছু অসুবিধা হৈছিল যদিও মোৰ বন্ধু-বান্ধৱী সকল তথা তত্ত্বধায়ক - উপদেষ্টাসকলৰ সহযোগত মই অতি সহজে এই দায়িত্ববোৰ সুকলমে সম্পাদন কৰিছিলোঁ।

২। সৰস্বতী পূজা ঃ- অইন অই বছৰৰ দৰে এইবেলিও সমাজ সেৱা বিভাগৰ সম্পাদকৰ উদ্যোগত সৰস্বতী পূজাৰ আয়োজন কৰা হয়। এই ক্ষেত্ৰত ছত্ৰা একতা সভাৰ এজন সদস্য হিচাবে পূজাখন আয়োজন কৰাত মই যথেষ্ট সহায়-সহযোগিতা আগবঢ়োইছিলোঁ।

৩। অন্যান্য ঃ- ওপৰোক্ত কামবোৰৰ উপৰিও মহাবিদ্যালয়তেই হৈ যোৱা বিভিন্ন ধৰণৰ কাৰ্যাৱলী যেনে - নৱাগত আদৰণি সভা, বিভিন্ন চেমিনাৰ, উৎসৱ, চাফাই কাৰ্যসূচী লগতে আন আন সহয় সহযোগিতামূলক কামত মই যিমানখিনি পাৰো সিমানখিনি সহায় কৰিবলৈ যত্ন কৰিছো।

অভাব -অভিযোগ ঃ- মই মোৰ কাৰ্যকালৰ সময়ছোৱাত কোনো বিশেষ অসুবিধা উপলব্ধি কৰা নাই যদিও কিছুমান সৰু-সুৰা অসুবিধা যেনে - বেডমিণ্টন খেল আয়োজনত বতৰৰ বাবে কিছু অসুবিধা অনুভৱ কৰিছিলোঁ। আশা কৰো যে আগন্তুক বৰ্ষত বেডমিণ্টন খেলাৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব।

শেযত মোৰ কাৰ্যকলত বিভিন্ন ধৰণে পৰামৰ্শ আগবঢ়োৱা তত্বাবধায়ক শ্ৰদ্ধাৰ কৰিৰ হুছেইন ছাৰক মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ আৰু মোৰ কাৰ্যকালত হৈ যোৱা অনিচ্ছাকৃত ভুল-ক্ৰটিৰ বাবে সকলোৰে আগত ক্ষমা ভিক্ষা মাগিলো লগতে মহাবিদ্যালয়খনৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদন ইমানতে সামৰিলোঁ।

জয়তু বিকালী মহাবিদ্যালয় ছাত্ৰ একতা সভা।

মানস জ্যোতি দত্ত চৌধুৰী

সম্পাদক, লঘু ক্ৰীড়া বিভাগ

বিকালী মহাবিদ্যালয় ছাত্ৰ একতা সভা

২০১০-১১ ইং শিক্ষা বৰ্ষ

# সাংস্কৃতিক সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিয়ে অশেষ কষ্ট আৰু বিলদানৰ বিনিময়ত আমাৰ বিকালী মহাবিদ্যালয়ৰ নিচিনা মহান প্ৰতিষ্ঠানখন গঢ়ি তুলিলে সেইসকল মহান ব্যক্তিৰ পৱিত্ৰ স্মৃতিত গভীৰ শ্ৰদ্ধ আৰু কৃতজ্ঞতা আন্তৰিকতাৰে জ্ঞাপন কৰিছোঁ।

২০১০-২০১১ ইং বৰ্যৰ ছাত্ৰ একতা সভাৰ সাংস্কৃতিক সম্পাদিকা হিচাপে যিসকল দাদা, বাইদেউ, ভাইটি-ভণ্টী আৰু সহপাঠীয়ে যোগ্য বুলি ভাবি মোক নিৰ্বাচিত কৰিলে তেওঁলোকক মই আন্তৰিকতাৰে অভিনন্দন আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সাংস্কৃতিক সম্পাদিকৰ দায়িত্বভাৰ লোৱাৰ লগে লগে মোৰ খুউব ভাল লাগিছিল আৰু সাংস্কৃতিক বিভাগৰ কাৰ্যসূচীবোৰ সুচাৰুৰূপে চলাই নিয়ৰ বাবে প্ৰস্তুত হেছিলোঁ। মই ভাবিছিলোঁ আন আন বছৰতকৈ এইবাৰ সাংস্কৃতিক কাৰ্যসূচীবোৰ উন্নত মানদণ্ডৰ কৰিম, কিন্তু সেয়া বাস্তৱ ৰূপ দিব পৰা নগ'ল। তথাপি সামান্য সামৰ্থৰে মোৰ কাৰ্যসূচীসমূহ সুচাৰুৰূপে আগবঢ়াই নিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাছিলোঁ। সম্পাদিকাৰ দায়িত্বভাৰ লোৱাৰ লগে লগে মোৰ কাৰ্যসূচী হিচাপে পৰিল মহাবিদ্যালয় সপ্তাহ। মহাবিদ্যালয় সপ্তাহৰ সকলো কাৰ্যসূচী মই অতি নিষ্ঠা সহকাৰে চলাই নিয়াৰ চেষ্টা কৰিছিলোঁ। এই ক্ষেত্ৰত মোক সকলো ধৰণে সহায় আৰু পৰামৰ্শ আগবঢ়াইছিল তত্ত্বাবধায়িকা শ্ৰীমতী ৰেণুকা ভট্টাচাৰ্য বাইদেউ আৰু উপদেষ্টা অধ্যাপক মাননীয় শ্ৰীযুত বিভূতি কলিতা ছাৰে। এই সুযোগতে মই তেওঁলোকক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

অৱশেষত মোৰ কাৰ্যকালত সকলো ধৰণে সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে মোৰ সমূহ বন্ধু-বান্ধৱীসকলক ধন্যবাদ জ্ঞাপন কৰিছোঁ আৰু মোৰ কাৰ্যকালত হোৱা ভুল ত্ৰুটিসমূহৰ ক্ষমা বিচাৰি লগতে বিকালী মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি মই মোৰ সম্পাদকীয় প্ৰতিবেদন ইমানতে সামৰণি মাৰিলোঁ।

জয়তু বিকালী মহাবিদ্যালয়

**শ্ৰীমামনি বৰ্মন**
সাংস্কৃতিক সম্পাদিকা
বিকালী মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০১০-১১ ইং শিক্ষা বৰ্ষ

# ছাত্র জিৰণী কোঠাৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল জ্ঞাত-অজ্ঞাত ব্যক্তিৰ অক্লান্ত শ্ৰমৰ ফলত বিকালী মহাবিদ্যালয় গঢ়ি উঠিল তেওঁলোকলৈ হিয়াভৰা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ছাত্ৰ জিৰণী কোঠাৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰাৰ পিছতে মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। মহাবিদ্যালয় সপ্তাহত যথেষ্ট সংখ্যক ছাত্ৰই কেৰম, ডবা আদি প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰে। সেয়েহে মই এই ছেগতে ছাত্ৰ বন্ধু-বান্ধৱীসকলক ধন্যবাদ জনাইছোঁ।

বিগত বছৰটোত মহাবিদ্যালয়খনত অনুষ্ঠিত হোৱা বিভিন্ন প্ৰতিযোগিতমূলক অনুষ্ঠানত ছাত্ৰ জিৰণী কোঠাৰ তৰফৰ পৰা সক্ৰিয় সহায় সহযোগিতা আগবঢ়াইছিলোঁ। মোৰ প্ৰতিটো কামতে প্ৰত্যক্ষভাৱে সহায় সহযোগিতা আগবঢ়োৱা তত্ত্বাবধয়ক ছাৰ তথা বন্ধু-বান্ধৱীসকলক ধন্যবাদ জনাইছোঁ।

মোৰ কাৰ্যকালত বিভিন্ন দিহা পৰামৰ্শেৰে উৎসাহিত কৰা তত্ত্বাবধায়ক শ্ৰীযুত পংকজ ৰাভা ছাৰৰ লগতে সহায় সহযোগিতা আগবঢ়োৱা সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকলক কৃতজ্ঞতা জনাইছোঁ।


সদৌ শেষত অনিচ্ছাকৃতভাৱে কৰা ভুল-ত্ৰুটিৰ ক্ষমা বিচাৰি মোৰ প্ৰতিবেদন ইমানতে সামৰিছোঁ।

ধন্যবাদেৰে
**শ্ৰীচন্দন বড়ো**
সম্পাদক
ছাত্ৰ জিৰণী কোঠা
বিকালী মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০১০-১১ ইং শিক্ষা বৰ্ষ


## ২০১০-১১ ইং বৰ্ষৰ যিসকল কৃতীমান ছাত্ৰ-ছাত্ৰীয়ে বিকালী লৈ গৌৰৱ কঢ়িয়াই আনিলে



**মৌচুমী হাজোৱাৰী**
২০১১ ইং শিক্ষা বৰ্ষৰ স্নাতক চূড়ান্ত পৰীক্ষাত ভূগোল বিষয়ত সুখ্যাতিৰ প্ৰথম শ্ৰেণী দখল কৰি বিকালী মহাবিদ্যালয়লৈ সুনাম কঢ়িয়ালে।



**মিচ ফৰ্জিনা বেগম**
২০১১ ইং শিক্ষা বৰ্ষৰ স্নাতক চূড়ান্ত পৰীক্ষাত শিক্ষা বিষয়ত সুখ্যাতিৰ প্ৰথম শ্ৰেণী দখল কৰি বিকালী মহাবিদ্যালয়লৈ সুনাম কঢ়িয়ালে।



**বাপন ৰাভা**
২০১১ ইং শিক্ষা বৰ্ষৰ উঃমাঃ চূড়ান্ত পৰীক্ষাত(কলা)সুখ্যাতিৰ প্ৰথম বিভাগ দখল কৰি বিকালী মহাবিদ্যালয়লৈ সুনাম কঢ়িয়ালে।



**দীপামণি দৈমাৰী**
২০১১ ইং শিক্ষা বৰ্ষৰ উঃ মাঃ চূড়ান্ত পৰীক্ষাত (কলা) প্ৰথম বিভাগ দখল কৰি বিকালী মহাবিদ্যালয়লৈ সুনাম কঢ়িয়ালে।



**সনজিতা দৈমাৰী**
২০১১ ইং শিক্ষা বৰ্ষৰ উঃমাঃ চূড়ান্ত (কলা) পৰীক্ষাত সুখ্যাতিৰ প্ৰথম বিভাগ দখল কৰি বিকালী মহাবিদ্যালয়লৈ সুনাম কঢ়িয়ালে।




**সনশ্ৰী বসুমতাৰী**
২০১১ ইং শিক্ষা বৰ্ষৰ উঃমাঃ চূড়ান্ত পৰীক্ষাত (কলা) প্ৰথম বিভাগ দখল কৰি বিকালী মহাবিদ্যালয়লৈ সুনাম কঢ়িয়ালে।



আজমিন আখতাৰ
২০১১ ইং শিক্ষা বৰ্ষৰ উঃমাঃ
চূড়ান্ত পৰীক্ষাত(কলা)সুখ্যাতিৰ
প্ৰথম বিভাগ দখল কৰি বিকালী
মহাবিদ্যালয়লৈ সুনাম কঢ়িয়ালে।

উৎপল বসুমতাৰী
২০১১ ইং শিক্ষা বৰ্ষৰ উঃমাঃ
চূড়ান্ত পৰীক্ষাত(কলা)সুখ্যাতিৰ
প্ৰথম বিভাগ দখল কৰি বিকালী
মহাবিদ্যালয়লৈ সুনাম কঢ়িয়ালে।



ৰিমঝিম পাটগিৰী
২০১১ ইং শিক্ষা বৰ্ষৰ উঃমাঃ
চূড়ান্ত পৰীক্ষাত(কলা)সুখ্যাতিৰ
প্ৰথম বিভাগ দখল কৰি বিকালী
মহাবিদ্যালয়লৈ সুনাম কঢ়িয়ালে।



বিদ্যুৎ বিকাশ বৈশ্য
২০১১ ইং শিক্ষা বৰ্ষৰ উঃমাঃ
চূড়ান্ত পৰীক্ষাত (বাণিজ্য)
প্ৰথম বিভাগ দখল কৰি
বিকালী মহাবিদ্যালয়লৈ
গৌৰৱ কঢ়িয়ালে।



দ্বীপজ্যোতি ৰাভা
২০১১ ইং শিক্ষা বৰ্ষৰ উঃমাঃ
চূড়ান্ত পৰীক্ষাত (বাণিজ্য)
প্ৰথম বিভাগ দখল কৰি
বিকালী মহাবিদ্যালয়লৈ
গৌৰৱ কঢ়িয়ালে।



হেমাংগ ৰয়
২০১১ ইং শিক্ষা বৰ্ষৰ উঃমাঃ
চূড়ান্ত পৰীক্ষাত (বাণিজ্য)
প্ৰথম বিভাগ দখল কৰি
বিকালী মহাবিদ্যালয়লৈ
গৌৰৱ কঢ়িয়ালে।



মনোজ কছাৰি
২০১১ ইং শিক্ষা বৰ্ষৰ উঃমাঃ চূড়ান্ত পৰীক্ষাত (বাণিজ্য) প্ৰথম বিভাগ দখল কৰি বিকালী মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়ালে।



লুনা ৰয়
২০১১ ইং শিক্ষা বৰ্ষৰ স্নাতক চূড়ান্ত পৰীক্ষাত ভূগোল বিষয়ত সুখ্যাতিৰ প্ৰথম শ্ৰেণী দখল কৰি বিকালী মহাবিদ্যালয়লৈ সুনাম কঢ়িয়ালে।

লাবণ্য নাথ
২০১১ ইং শিক্ষা বৰ্ষৰ স্নাতক চূড়ান্ত পৰীক্ষাত শিক্ষা বিষয়ত সুখ্যাতিৰ প্ৰথম শ্ৰেণী দখল কৰি বিকালী মহাবিদ্যালয়লৈ সুনাম কঢ়িয়ালে।

উৎপল ৰাভা
২০১১ ইং শিক্ষা বৰ্ষৰ উঃমাঃ চূড়ান্ত পৰীক্ষাত(কলা)সুখ্যাতিৰ প্ৰথম বিভাগ দখল কৰি বিকালী মহাবিদ্যালয়লৈ সুনাম কঢ়িয়ালে।

চানীদেউল বড়ো
২০১১ ইং শিক্ষা বৰ্ষৰ উঃমাঃ চূড়ান্ত পৰীক্ষাত(কলা)সুখ্যাতিৰ প্ৰথম বিভাগ দখল কৰি বিকালী মহাবিদ্যালয়লৈ সুনাম কঢ়িয়ালে।

হিতেশ নাথ
২০১১ ইং শিক্ষা বৰ্ষৰ উঃমাঃ চূড়ান্ত পৰীক্ষাত(কলা)সুখ্যাতিৰ প্ৰথম বিভাগ দখল কৰি বিকালী মহাবিদ্যালয়লৈ সুনাম কঢ়িয়ালে।



ৰুকুনুদ্দিন আহমেদ
মহাবিদ্যালয় সপ্তাহৰশ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী



কংকনা দাস
২০১১ ইং মহাবিদ্যালয় সপ্তাহৰ শ্ৰেষ্ঠা গায়িকা

# বিগত বৰ্ষৰ মহাবিদ্যালয়ৰ কেইটিমান মধুৰতম মুহূৰ্ত



NAAC PEER TEAM Visiting Bikali College



A scene from Freshmen Social




**Resource Peroson delivering speech on the occasion of Gandhi Jayanti, 2011**



**NSS volunteers cleaning college campus**

# আলোচনী বিভাগৰ প্ৰতিযোগিতাৰ ফলফল

অসমীয়া কবিতা আবৃতি-

১ম পুৰস্কাৰ ঃ মানবেন্দ্ৰ দাস (স্নাতক প্ৰথম বৰ্ষ)

২য় পুৰস্কাৰ ঃ হীৰামণি কলিতা (স্নাতক দ্বিতীয় বৰ্ষ)

ইংৰাজী কবিতা আবৃতি-

১ম পুৰস্কাৰ ঃ নাৰায়ণ সুত্ৰধৰ (স্নাতক দ্বিতীয় বৰ্ষ)

২য় পুৰস্কাৰ ঃ মোৰ ৰুকুনুদ্দিন আহমেদ (স্নাতক দ্বিতীয় বৰ্ষ)

বড়ো কবিতা আবৃতি-

১ম পুৰস্কাৰ ঃ মুনিন দৈমাৰী (স্নাতক প্ৰথম বৰ্ষ)

২য় পুৰস্কাৰ ঃ মমতা হাজোৱাৰী (উঃমাঃ দ্বিতীয় বৰ্ষ)

ৰাভা কবিতা আবৃতি-

১ম পুৰস্কাৰ ঃ ধনমণি ৰাভা (উঃমাঃ প্ৰথম বৰ্ষ)

২য় পুৰস্কাৰ ঃ ব্ৰণমা ৰাভা (স্নাতক প্ৰথম বৰ্ষ)

আকস্মিক বক্তৃতা-

১ম পুৰস্কাৰ ঃ ৰুকুনুদ্দিন আহমেদ (স্নাতক দ্বিতীয় বৰ্ষ)

২য় পুৰস্কাৰ ঃ তৌছিফ আহমেদ (স্নাতক দ্বিতীয় বৰ্ষ)

কুইজ প্ৰতিযোগিতা -

১ম পুৰস্কাৰ ঃ ঋতুৰাজ কলিতা, মানবেন্দ্ৰ দাস, দিপাংকৰ বৰ্মন

২য় পুৰস্কাৰ ঃ আতিকুৰ ৰহমান, দিপাংকৰ বসুমতাৰী

তৰ্ক প্ৰতিযোগিতা ঃ

১ম পুৰস্কাৰ ঃ ৰুকুনুদ্দিন আহমেদ (স্নাতক দ্বিতীয় বৰ্ষ)

২য় পুৰস্কাৰ ঃ পংকজ মাহাত (স্নাতক তৃতীয় বৰ্ষ)

থিতাতে গল্প লিখা প্ৰতিযোগিতা-

উদ্‌গনি মূলক ঃ ধনমণি ৰাভা (উঃমাঃ প্ৰথম বৰ্ষ)

থিতাতে কবিতা লিখা প্ৰতিযোগিতা

১ম পুৰস্কাৰ ঃ পূৰবী সৰকাৰ (উঃমাঃ দ্বিতীয় বৰ্ষ)

২য় পুৰস্কাৰ ঃ ৰুকুনুদ্দিন আহমেদ (স্নাতক দ্বিতীয় বৰ্ষ)

ৰচনা প্ৰতিযোগিতা-

উদগ্নি মূলক ঃ ৰুকুনুদ্দিন আহমেদ (স্নাতক দ্বিতীয় বৰ্ষ)

শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী ঃ ৰুকুনুদ্দিন আহমেদ (স্নাতক দ্বিতীয় বৰ্ষ)

# গুৰু খেল বিভাগৰ ফলাফল

ল'ৰাৰ চট্ ফুট -

| | | |
|---|---|---|
| ১ম পুৰস্কাৰ | ঃ | সঞ্জীৱ হাজোৱাৰী (উঃমাঃ প্ৰথম বৰ্ষ) |
| ২য় পুৰস্কাৰ | ঃ | ধীৰাজ কুমাৰ হাজোৱাৰী (উঃমাঃ দ্বিতীয় বৰ্ষ) |

ডিচকাচ থ্ৰো-

| | | |
|---|---|---|
| ১ম পুৰস্কাৰ | ঃ | সঞ্জীৱ হাজোৱাৰী (উঃমাঃ প্ৰথম বৰ্ষ) |
| ২য় পুৰস্কাৰ | ঃ | ধীৰাজ কুমাৰ হাজোৱাৰী (উঃমাঃ দ্বিতীয় বৰ্ষ) |

জেভ্‌লিন থ্ৰো-

| | | |
|---|---|---|
| ১ম পুৰস্কাৰ | ঃ | পংকজ হাজোৱাৰী (উঃমাঃ প্ৰথম বৰ্ষ) |
| ২য় পুৰস্কাৰ | ঃ | নৰকান্ত খাখলাৰী (উঃমাঃ প্ৰথম বৰ্ষ) |

লং জাম্প -

| | | |
|---|---|---|
| ১ম পুৰস্কাৰ | ঃ | ৰূমপ বড়ো (স্নাতক প্ৰথম বৰ্ষ) |
| ২য় পুৰস্কাৰ | ঃ | ভাস্কৰ ৰাভা (উঃমাঃ প্ৰথম বৰ্ষ) |

হাই জাম্প-

| | | |
|---|---|---|
| ১ম পুৰস্কাৰ | ঃ | ভাস্কৰ ৰাভা (উঃমাঃ প্ৰথম বৰ্ষ) |
| ২য় পুৰস্কাৰ | ঃ | ৰূপম বড়ো (স্নাতক প্ৰথম বৰ্ষ) |

১০০ মিটাৰ দৌৰ-

| | | |
|---|---|---|
| ১ম পুৰস্কাৰ | ঃ | সঞ্জীৱ হাজোৱাৰী (উঃমাঃ প্ৰথম বৰ্ষ) |
| ২য় পুৰস্কাৰ | ঃ | সুজিত ৰাভা (উঃমাঃ দ্বিতীয় বৰ্ষ) |

৪০০ মিটাৰ দৌৰ-

| | | |
|---|---|---|
| ১ম পুৰস্কাৰ | ঃ | জ্যোতিষ খাখলৰী (স্নাতক তৃতীয় বৰ্ষ) |
| ২য় পুৰস্কাৰ | ঃ | মৃতুঞ্জয় চৌধুৰী (স্নাতক প্ৰথম বৰ্ষ) |

৮০০ মিটাৰ দৌৰ -

| | | |
|---|---|---|
| ১ম পুৰস্কাৰ | ঃ | লক্ষ্যজ্যোতি নাথ (স্নাতক প্ৰথম বৰ্ষ) |
| ২য় পুৰস্কাৰ | ঃ | লৱ ৰাভা (উঃমাঃ প্ৰথম বৰ্ষ) |

ৰিলে ৰেচ-

| | | |
|---|---|---|
| ১ম পুৰস্কাৰ | ঃ | ভাস্কৰ ৰাভা ,মুনিণ দৈমাৰী ,দ্বীপজ্যোতি খাখলাৰী,চবিন ৰাভা প্ৰথম |
| ২য় পুৰস্কাৰ | ঃ | কৌশিক দাস, হুমান দাস, মানস জ্যোতি দত্ত চৌধুৰী,যশোৰাজ সুত্ৰধৰ |

## ছোৱালী শাখা-

চট্ ফুট-

| | | |
|---|---|---|
| ১ম পুৰস্কাৰ | ঃ | ৰহিমা বড়ো (উঃমাঃ প্ৰথম বৰ্ষ) |
| ২য় পুৰস্কাৰ | ঃ | শেৱালি ৰাভা (উঃমাঃ প্ৰথম বৰ্ষ) |

ডিচকাচ থ্ৰো-

| | | |
|---|---|---|
| ১ম পুৰস্কাৰ | ঃ | শেৱালি ৰাভা(উঃমাঃ প্ৰথম বৰ্ষ) |
| ২য় পুৰস্কাৰ | ঃ | বিহুতি ৰাভা (উঃমাঃ প্ৰথম বৰ্ষ) |

জেভলিন থ্ৰো-

| | | |
|---|---|---|
| ১ম পুৰস্কাৰ | ঃ | ইপ্তিচুম ৰহমান (উঃমাঃ দ্বিতীয় বৰ্ষ) |
| ২য় পুৰস্কাৰ | ঃ | শেৱালি ৰাভা (উঃমাঃ প্ৰথম বৰ্ষ) |

হাই জাম্প-

| | | |
|---|---|---|
| ১ম পুৰস্কাৰ | ঃ | ইপ্তিচুম ৰহমান (উঃমাঃ দ্বিতীয় বৰ্ষ) |
| ২য় পুৰস্কাৰ | ঃ | ৰহিমা বড়ো (উঃমাঃ প্ৰথম বৰ্ষ) |

লং জাম্প -

| | | |
|---|---|---|
| ১ম পুৰস্কাৰ | ঃ | ইপ্তিচুম ৰহমান (উঃ মাঃ দ্বিতীয় বৰ্ষ) |
| ২য় পুৰস্কাৰ | ঃ | শেৱালি ৰাভা (উঃমাঃ প্ৰথম বৰ্ষ) |

১০০ মিটাৰ দৌৰ -

| | | |
|---|---|---|
| ১ম পুৰস্কাৰ | ঃ | হিৰণমণি ৰয় (উঃমাঃ দ্বিতীয় বৰ্ষ) |
| ২য পুৰস্কাৰ | ঃ | মইনাথী বড়ো (উঃমাঃ প্ৰথম বৰ্ষ) |

৪০০ মিটাৰ দৌৰ-

| | | |
|---|---|---|
| ১ম পুৰস্কাৰ | ঃ | শেৱালি ৰাভা (উঃমাঃ প্ৰথম বৰ্ষ) |
| ২য় পুৰস্কাৰ | ঃ | হিৰণমণি ৰয় (উঃমাঃ দ্বিতীয় বৰ্ষ) |

ৰিলে ৰেচ -

| | | |
|---|---|---|
| ১ম পুৰস্কাৰ | ঃ | বৈমালি বড়ো,মইনাথী বড়ো, ৰহিমা বড়ো,সোণজিতা হাজোৱাৰী |
| ২য় পুৰস্কাৰ | ঃ | ইপ্তিচুম ৰহমান, মনিমা বড়ো, জিতুমণি বড়ো,লখিমী বড়ো |

ক্ৰিকেট বিজয়ী দল-

দিবাকৰ পাটগিৰী (স্নাতক প্ৰথম বৰ্ষ), ৰাজু সাহা(উঃমাঃ প্ৰথম বৰ্ষ), ৰিম্পল ৰহমান (স্নাতক দ্বিতীয় বৰ্ষ), বিশ্বজিত ধৰ (স্নাতক দ্বিতীয় বৰ্ষ), নবজ্যোতি দাস (স্নাতক দ্বিতায় বৰ্ষ), ৰেজাউল কবিৰ (স্নাতক দ্বিতীয় বৰ্ষ), টিংকু ৰয় (স্নাতক প্ৰথম বৰ্ষ), ছাদ্দাম হুছেইন (স্নাতক তৃতীয় বৰ্ষ), ৰূপম বণিক্য (স্নাতক প্ৰথম বৰ্ষ), হৰকুমাৰ ডেকা (উঃমাঃ প্ৰথম বৰ্ষ)

বিজিত দল -

তৌচিফ আহমেদ , সঞ্জীৱ নাথ , মাধব দাস, জ্ঞানদ্বীপ নাথ, মৃত্যুঞ্জয় চৌধুৰী , মণ্টু ইছলাম ছাদ্দাম আলী, অনুপম ৰাভা , মৃজুল হক , দিবাকৰ বৰ্মন

**মেন অৱ দ্যা মেচ** - ৰূপম বণিক্য (স্নাতক প্ৰথম বৰ্ষ)

ফুটবল বিজয়ী দল -

মুনিন্দ্ৰ দৈমাৰী , হোমেন দাস, ৰূপম বড়ো, দীপক ৰাভা, পংকজ হাজোৱাৰী , সঞ্জীৱ হাজোৱাৰী পাপু বড়ো , জগদীশ বড়ো , হৰেশ্বৰ বড়ো , হিতেন ৰাভা

বিজিত দল -

অঞ্চুমা হাজোৱাৰী (দলপতি) , অনুপম ৰাভা, হৰকুমাৰ ডেকা , ভাস্কৰ ৰাভা , বুলু কুমাৰ ৰাভা, সঞ্জীৱ ৰাভা , দীপাংকৰ ৰাভা, ৰাতুল ৰাভা , ৰুবুল ৰাভা

কাবাদী বিজয়ী দল-

মইনাথী বড়ো, ৰহিমা বড়ো, সঞ্জীতা হাজোৱাৰী, বিভা হাজোৱাৰী, বৈমালি বড়ো (উঃমাঃ অঞ্জিমা হাজোৱাৰী, কাবেৰি দাস )

বিজিত দল -

ইপ্তিচুম ৰহমান, জিতুমণি খাখলাৰী, বাশিতা হাজোৱাৰী, তুলিকা বড়ো , প্ৰভাতি দৈমাৰী, কনমণি বড়ো , লখিমী বড়ো

শ্লো চাইকেল ৰেচ -

১ম পুৰস্কাৰ ঃ তাপোশ সাহা (স্নাতক প্ৰথম বৰ্ষ)
২য় পুৰস্কাৰ ঃ মানবেনন্দ্ৰ দাস (স্নাতক প্ৰথম বৰ্ষ)

সাংস্কৃতিক বিভাগৰ তৰফৰ পৰা অনুষ্ঠিত হোৱা প্ৰতিযোগিতসমূহৰ ফলাফলসমূহ (২০১০-১১)

সংগীত প্ৰতিযোগিতা -

ভজন প্ৰতিযোগিতা

১ম পুৰস্কাৰ ঃ কংকনা দাস (স্নাতক প্ৰথম বৰ্ষ)
২য় পুৰস্কাৰ ঃ নাৰায়ণ সুত্ৰধৰ (স্নাতক দ্বিতীয় বৰ্ষ)

বৰগীত প্ৰতিযোগিতা-

১ম পুৰস্কাৰ ঃ কংকনা দাস (স্নাতক প্ৰথম বৰ্ষ)
২য় পুৰস্কাৰ ঃ প্ৰিয়াংশু ৰায় (উঃমাঃ দ্বিতীয় বৰ্ষ)

লোকগীত প্ৰতিযোগিতা-

| | | |
|---|---|---|
| ১ম পুৰস্কাৰ | ঃ | কংকনা দাস (স্নাতক প্ৰথম বৰ্ষ) |
| ২য় পুৰস্কাৰ | ঃ | পুণম শীল (উঃমাঃ প্ৰথম বৰ্ষ) |

ৰাভাগীত প্ৰতিযোগিত-

| | | |
|---|---|---|
| ১ম পুৰস্কাৰ | ঃ | ভৃগু কুমাৰ সূত্ৰধৰ (উঃমাঃ প্ৰথম বৰ্ষ) |
| ২য় পুৰস্কাৰ | ঃ | নাৰায়ণ সূত্ৰধৰ (স্নাতক দ্বিতীয় বৰ্ষ) |

জ্যোতি সংগীত প্ৰতিযোগিতা-

| | | |
|---|---|---|
| ১ম পুৰস্কাৰ | ঃ | নিতামণি অধিকাৰী (স্নাতক তৃতীয় বৰ্ষ) |
| ২য় পুৰস্কাৰ | ঃ | কংকনা দাস (স্নাতক প্ৰথম বৰ্ষ) |

বিষ্ণু সংগীত প্ৰতিযোগিতা-

| | | |
|---|---|---|
| ১ম পুৰস্কাৰ | ঃ | নিতামণি অধিকাৰী (স্নাতক তৃতীয় বৰ্ষ) |
| ২য় পুৰস্কাৰ | ঃ | কংকনা দাস (স্নাতক প্ৰথম বৰ্ষ) |

আধুনিক গীত প্ৰতিযোগিতা-

| | | |
|---|---|---|
| ১ম পুৰস্কাৰ | ঃ | কংকনা দাস (স্নাতক প্ৰথম বৰ্ষ) |
| ২য় পুৰস্কাৰ | ঃ | নাৰায়ণ সূত্ৰধৰ (স্নাতক দ্বিতীয় বৰ্ষ) |
| যুটায়াভাৱে - | | অনুৰূপ দাস (স্নাতক দ্বিতীয় বৰ্ষ) |
| শ্ৰেষ্ঠ গায়িকা- | | কংকনা দাস (স্নাতক প্ৰথম বৰ্ষ) |

আন্তাক্ষৰী প্ৰতিযোগিতা -

| | | |
|---|---|---|
| ১ম পুৰস্কাৰ | ঃ | নিতামণি অধিকাৰী , অনুৰূপা দাস, নাৰায়ণ শীল, ৰুকুনুদ্দিন আহমেদ |
| ২য় পুৰস্কাৰ | ঃ | মানসজ্যোতি দত্ত চৌধুৰী, ৰূপম বণিক্য, নৰ দাস, প্ৰিয়াংশু ৰয় |

আধুনিক নৃত্য প্ৰতিযোগিতা -

| | | |
|---|---|---|
| ১ম পুৰস্কাৰ | ঃ | কাবেৰী দাস |
| ২য় পুৰস্কাৰ | ঃ | দ্বিপাঞ্জলি ৰাভা |

বিহুকুঁৱৰী প্ৰতিযোগিতা-

| | | |
|---|---|---|
| ১ম পুৰস্কাৰ | ঃ | হীৰামণি ৰাভা |
| ২য় পুৰস্কাৰ | ঃ | ৰাজুমণি দাস |

কৌতুক প্ৰতিযোগিতা -

| | | |
|---|---|---|
| নিচুকনি বঁটা - | | সেৱক কলিতা, উৎপল কলিতা |

একক অভিনয় প্ৰতিযোগিতা -

| | | |
|---|---|---|
| নিচুকনি বঁটা - | | চন্দমিতা দাস |

মুকাভিনয় প্ৰতিযোগিতা -

| | | |
|---|---|---|
| ১ম পুৰস্কাৰ | ঃ | মোঃ ৰেজাউল কবীৰ |
| ২য় পুৰস্কাৰ | ঃ | মোঃ ৰুকুনুদ্দিন আহমেদ |

ভেশ্চন প্ৰতিযোগিতা-

| | | |
|---|---|---|
| ১ম পুৰস্কাৰ | ঃ | পংকজ মাহাতো |

নৱাগত আদৰণি সভা
সমবেদ সংগীত — ভৃগু কুমাৰ সূত্ৰধৰ, নাৰায়ণ সূত্ৰধৰ,, কংকনা দাস, মামনি বৰ্মন লম্বধৰ ৰাভা, পুনম শীল, যুগব্ৰতা ৰায়চৌধুৰী, ভায়োলিন ৰায়চৌধুৰী, পূৰৱী সৰকাৰ, দীপক ৰাভা, জাহ্নৱী দাস, আৰমিনা বেগম, ভৃগু কুমাৰ নাথ, ৰুকুনুদ্দিন আহমেদ

আধুনিক গীত - কংকনা দাস
ৰাভা গীত - ভৃগু কুমাৰ সূত্ৰধৰ

ছাত্ৰ জিৰণী কোঠাৰ ফলাফল

দেহশ্ৰী প্ৰতিযোগিতা -
১ম পুৰস্কাৰ ঃ দিবাকৰ পাটগিৰী
২য় পুৰস্কাৰ ঃ মানস দত্ত চৌধুৰী

কেৰম প্ৰতিযোগিতা-(দ্বৈত)
১ম পুৰস্কাৰ ঃ বিজু কুমাৰ সূত্ৰধৰ আৰু দীপক কুমাৰ ৰাভা
২য় পুৰস্কাৰ ঃ সঞ্জীৱ হাজোৰৰী আৰু অবিনাশ বড়ো

কেৰম (একক) প্ৰতিযোগিতা-
১ম পুৰস্কাৰ ঃ তাপোস সাহা
২য় পুৰস্কাৰ ঃ ৰূপম বড়ো

লুডু (দ্বৈত)
১ম পুৰস্কাৰ ঃ অজিত বড়ো , শ্যাম চন্দ্ৰ ৰাভা
২য় পুৰস্কাৰ ঃ ছফিউৰ ৰহমান , গোবিন্দ বিশ্বাস


লুডু (একক)
১ম পুৰস্কাৰ ঃ অজিত বড়ো (উঃমাঃ প্ৰথম বৰ্ষ)
২য় পুৰস্কাৰ ঃ ছাদ্দাম হুছেইন (স্নাতক প্ৰথম বৰ্ষ)

ডবা
১ম পুৰস্কাৰ ঃ শান্তনু ৰাভা (স্নাতক প্ৰথম বৰ্ষ (বাণিজ্য)
২য় পুৰস্কাৰ ঃ ভূমিধৰ ৰাভা (স্নাতক প্ৰথণ বৰ্ষ)

ধামা কোব
১ম পুৰস্কাৰ ঃ পংকজ মাহাতো, ভাস্কৰজ্যোতি ৰাভা

ষ্টাম্প থ্ৰো -
১ম পুৰস্কাৰ ঃ উৎপল কলিতা

পাঞ্জা -
১ম পুৰস্কাৰ ঃ দোস্ত হানান (স্নাতক তৃতীয় বৰ্ষ)
২য় পুৰস্কাৰ ঃ চন্দন বড়ো (উঃমাঃ প্ৰথম বৰ্ষ)



NAAC PEER TEAM VISITING BIKALI COLLEGE FOR RE-ACCREDITATION



RESOURCE PERSON DELIVERING SPEECH ON THE OCCASION OF GANDHI JAYANTI




UNUMI DAS, 10TH POSITION HOLDER IN H.S. FINAL EXAM. (ARTS) RESULT-2011 BEING FELICITATED



RESOURCE PERSON ADDRESSING ON THE OCCASION OF UGC SPONSORED NATIONAL SEMINAR HELD ON EMPOWERMENT



ESOURCE PERSONS AND SCHOLARS FROM VARIOUS COLLEGES POSING FOR A PHOTO



"SANKIA" BEING UNVEILED ON THE OCCASION OF ANNUAL SESSION OF RABHA LITERARY SOCIETY







